# জাতীয় জীৱনৰ পৰিচয় বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ গোৱালপাৰা গ্ৰন্থমেলা



গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ৫ নৱেম্বৰ ঃ আজিৰে পৰা ১০ নৱেম্বৰলৈ ছদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পোৱালপাৰা জিলা প্ৰশাসন আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্যোগত তথা গোৱালপাৰা সাহিত্য সভাৰ সহযোগত গোৱালপাৰা মহাবিদ্যালয় খেলপথাৰত গোৱালপাৰা গ্ৰন্থমেলা-২০২৫ আৰম্ভ হয়। কাৰ্যসূচী অনুসৰি আজি পুৱা ৯-৪৫ বজাত গ্ৰন্থমেলাৰ ১৩ *পিঠিলৈ*

পতাকা উত্তোলন কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু গোৱালপাৰা জিলা সাহিত্য সভাৰ সভাপতি জয়চন্দ্ৰ নাথে। পুৱা ১০ বজাত গ্ৰন্থমেলাৰ দ্বাৰ উদঘাটন কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড°ৰমেশ চন্দ্ৰ ডেকাই। উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। পুৱা ১০-৩০ বজাত সূৰ্যকণ্ঠ জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি আৰু ১১ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত হয়। দুপৰীয়া ১২ বজাত গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ধনপতি ডেকা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুং, জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই। আবেলি ৩ বজাত 'সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতত জাতীয় চেতনাবোধ' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা-চক্ৰত আলোচক হিচাপে উপস্থিত থাকে বিশিষ্ট শিল্পী মুকুল ৰাভা, হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাস, বিশিষ্ট সাহিত্যিক দিলীপ কুমাৰ শৰ্মা। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে সঞ্চালনা কৰা আলোচনা- চক্ৰত আলোচকসকলে ভাৰতৰত্ন তথা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতসমূহ বিশ্লেষণ কৰে আৰু ভূপেন হাজৰিকাৰ গীতত যে মানৱতাবোধ তথা একতাবোধ আছিল তাক উল্লেখ কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে কয় যে অসমীয়াৰ সংকটৰ সময়ত ড° ভূপেন হাজৰিকাই অসমীয়া জাতিৰ কাষত থিয় দিছিল আৰু তেওঁৰ প্ৰতিটো গীতত যে জাতীয় চেতনাবোধ আছিল তাক উল্লেখ কৰে। সন্ধিয়া ৫ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ৰাভা সাহিত্য সভাৰ সম্পাদক ৰাজকুমাৰ ৰাভাই। উক্ত সাংস্কৃতিক অনুষ্ঠানত কেৱল ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ন-পুৰণি শিল্পীয়ে। গ্ৰন্থমেলাত ভালেসংখ্যক গ্ৰন্থৰ বিপণীয়ে অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাত আজি আৰম্ভণিৰ দিনাই বিভিন্ন গ্ৰন্থ ক্ৰয় কৰিবলৈ পাঠক অহা দেখা গৈছে।